**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-JULY-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

——————————————

## HEADLINE

১। আত্মনির্ভৰ সমষ্টি গঠনৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হ'বলৈ ৰাজ্যৰ সকলো বিধায়ক-বিধায়িকাক মুখ্যমন্ত্ৰীৰ আহ্বান।

২। বন্যপ্ৰাণী আৰু মানুহৰ মাজত সংঘাত দূৰ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ সৰ্বাত্মক নীতি-নিৰ্দেশনা প্ৰস্তুত।

৩। আগষ্টৰ প্ৰথম সপ্তাহৰ ভিতৰত স্থানীয় বিধায়কসকলক অধ্যক্ষ হিচাপে লৈ ধান ক্ৰয় কেন্দ্ৰসমূহৰ বাবে একোখন সমিতি গঠন কৰিবলৈ চৰকাৰৰ নিৰ্দেশ।

৪। ভট্টদেৱ বিশ্ববিদ্যালয়ৰ গৱেষণাত অসমত প্ৰথমবাৰৰ বাবে দুৰ্লভ মালয়ান বাঁহ বাদুলীৰ উপস্থিতি নথিভুক্ত।

*আৰু*

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ইংলেণ্ডক পৰাস্ত কৰি আৰ্জেণ্টিনাৰ ফাইনেলত প্ৰৱেশ।

০০০০০০

বিগত পাঁচ বছৰত ৰাজ্যত উন্নয়নৰ পৃষ্ঠভূমি নিৰ্মাণ হৈছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি অসম বিধান সভাত প্ৰকাশ কৰে। কালি বিধানসভা অধিৱেশনৰ অষ্টম দিনা সদনত বাজেট বিতৰ্কত অংশ লৈ মুখ্যমন্ত্ৰীয়ে এই কথা উল্লেখ কৰে। বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সদনত দাখিল কৰা চলিত বিত্তীয় বছৰৰ বাজেটখন সৰ্বস্পৰ্শী আৰু সৰ্বব্যাপী বুলি উল্লেখ কৰি তেওঁ কয়, যে এই বাজেটে আত্মনিৰ্ভৰ অসম গঢ়াৰ ৰূপৰেখা প্ৰস্তুত কৰিব। তেওঁ আত্মনিৰ্ভৰ সমষ্টি গঠনৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হ'বলৈ সকলো বিধায়ক-বিধায়িকাক আহ্বান জনায়। অনাগত দিনত ৰাজ্যৰ প্ৰতিটো সমষ্টি কণী, মাছ-মাংসকে ধৰি সকলোধৰণৰ খাদ্য সামগ্ৰী উৎপাদনত স্বাৱলম্বী হ'ব পৰাকৈ ব্যৱস্থা গ্ৰহণৰ বাবে তেওঁ বিধায়কসকলক পৰামৰ্শ দিয়ে। ৰাজ্যৰ কমেও ৫০ টা বিধানসভা সমষ্টিত দুগ্ধ বিপ্লৱৰ সূচনা হোৱাটো সময়ৰ আহ্বান বুলি উল্লেখ কৰি তেওঁ বজালীত দুগ্ধ বিপ্লৱ হোৱা বিষয়টো লৈ সন্তুষ্টি প্ৰকাশ কৰে। এনে বিপ্লৱৰ সূচনা কৰাৰ বাবে চৰকাৰে সৰ্বতোপ্ৰকাৰে সাহায্য আগবঢ়াব বুলি তেওঁ উল্লেখ কৰে। ৰাজ্যৰ প্ৰতি ডৰা ভূমিত প্ৰযুক্তি নিৰ্ভৰ জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ কথাও তেওঁ উল্লেখ কৰে।

তদুপৰি ৰাজ্যৰ বিকাশ দ্ৰুততৰ কৰাৰ লক্ষ্যৰে প্ৰথমখন উপগ্ৰহীয় মহানগৰ স্থাপনৰ বিষয়েও তেওঁ ভাষণত প্ৰকাশ কৰে। এডভাণ্টেজ অসমৰ দ্বিতীয় সংস্কৰণৰ মাধ্যমেৰে ৰাজ্যখনত সম্প্ৰতি ৩ লাখ কোটি টকাৰ বিনিয়োগ হৈছে বুলি উল্লেখ কৰি এই বিনিয়োগৰ পৰিমাণ আৰু বৃদ্ধি হ'ব লাগিব বুলি তেওঁ মন্তব্য কৰে। নিজৰ ভাষণত তেওঁ অসমৰ দৰিদ্ৰতাৰ হাৰ ৩২ দশমিক ৬ - ৮ শতাংশৰ পৰা ১৪ শতাংশলৈ অৱনমিত হৈছে বুলি জানিবলৈ দিয়ে।

**বাইট**

সদনত বাজেট বিতৰ্কত যোৱা তিনিদিনত শাসক-বিৰোধীৰ ৩৫ গৰাকী বিধায়ক-বিধায়িকাই অংশ লোৱাৰ পাছত বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বিতৰ্কৰ উত্তৰত কয়, যে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ তথ্য অনুসৰি অসম দেশৰ ভিতৰতে দ্ৰুত বিকশিত ৰাজ্য। অসমে বাজেট ব্যয়ৰ পৰিমাণ ৮৫ শতাংশলৈ বৃদ্ধি কৰিছে আৰু অনাগত পাঁচ বছৰত এই ব্যয় ৯০ শতাংশলৈ বৃদ্ধিৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি তেওঁ উল্লেখ কৰে।

oooooo

ৰাজ্যখনত বন্যপ্ৰাণী আৰু মানুহৰ মাজত সংঘাত, বিশেষকৈ হাতী মানুহৰ সংঘাত আৰু বান্দৰৰ উপদ্ৰৱ দূৰ কৰাৰ বাবে অসম চৰকাৰে সৰ্বাত্মক নীতি-নিৰ্দেশনা যুগুত কৰাৰ ব্যৱস্থা কৰিছে। বিধানসভা চৌহদত কালি বিধায়কসকলৰ সৈতে অনুষ্ঠিত এখন বৈঠকৰ পাছত বন আৰু পৰিবেশ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সাংবাদিকৰ আগত এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে এই সমস্যা সমাধানৰ বাবে বৈজ্ঞানিক পদ্ধতিৰে স্থায়ী কৌশল যুগুত কৰিবলৈ সৰ্বাত্মক আলোচনা প্ৰক্ৰিয়া আৰম্ভ কৰিছে। কালিৰ বৈঠকত অঞ্চলভিত্তিক সমাধানসূত্ৰ, বিভিন্ন পক্ষৰ মাজত সমন্বয় বৃদ্ধি আৰু ভৱিষ্যতৰ কাৰ্যপন্থাৰ বাবে সৰ্বাত্মক নীতি নিৰ্দেশনা যুগুতাই উলিওৱাত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। ৰাজ্যত হাতী-মানুহৰ সংঘাতৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এনে সংঘাতৰ ফলত প্ৰতিবছৰে কমেও ডেৰশজন লোকে প্ৰাণ হেৰুৱাবলগীয়া হয়। ইয়াৰ উপৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শস্য পথাৰৰো ক্ষতি হয়। তেওঁ কয়, যে এই সমস্যা দূৰ কৰাৰ বাবে তাৎক্ষণিক আৰু দীৰ্ঘকালিন ব্যৱস্থা গ্ৰহণ কৰাৰ আৱশ্যকতা আছে।

মন্ত্ৰীগৰাকীয়ে কয়, যে দীৰ্ঘম্যাদী পৰিকল্পনাৰ অংশ হিচাপে বনানীকৰণত আৰু হাতীৰ উপযোগী বিচৰণ ভূমি গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰিব লাগিব।

হাতীৰ সংখ্যা আৰু ইয়াৰ বিচৰণ ভূমি নিৰ্ধাৰণ কৰি একো একোটা নিৰ্দিষ্ট মণ্ডল চিনাক্ত কৰা হ'ব আৰু এই মণ্ডলসমূহত অভিজ্ঞ লোকৰ সহায়ত স্থানীয় বিধায়ক তথা সংশ্লিষ্ট বিভাগৰ লোকে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলি শ্ৰীমল্লবৰুৱাই জানিবলৈ দিয়ে।

বৈঠকত বিভিন্ন মূল্যবান পৰামৰ্শ লাভ কৰা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয় কয় যে সংশ্লিষ্ট সকলো পক্ষকে ২১ জুলাইৰ ভিতৰত লিখিত আকাৰত অতিৰিক্ত পৰামৰ্শ আগবঢ়াবলৈ কোৱা হৈছে। এই পৰামৰ্শৰ ভিত্তিত বন বিভাগে ২২ জুলাইৰ ভিতৰত নীতি নিৰ্দেশনা যুগুতাই উলিয়াব। চৰকাৰে হাতী মানুহৰ সংঘাতৰ বলি হোৱা লোকসকলক সাহায্য প্ৰদানৰ প্ৰক্ৰিয়া দ্ৰুততৰ কৰি তোলাৰ বাবে কাম কৰি আছে বুলি তেওঁ উল্লেখ কৰে।

ৰাজ্যৰ কেইবাখনো জিলাত বান্দৰৰ উপদ্ৰৱ বৃদ্ধি পোৱা সন্দৰ্ভত শ্ৰীবৰুৱাই কয়, যে চৰকাৰে বৈজ্ঞানিক আৰু মানৱীয়ভাৱে সমস্যাটো সমাধানৰ বাবে বিভিন্ন বিকল্প পৰীক্ষা কৰি আছে। তেওঁ কয়, যে বান্দৰৰ খাদ্য হিচাপে ফল-মূলৰ গছ ৰোপণৰ উপৰি বন্ধ্যাকৰণৰ ব্যৱস্থা কৰিব পাৰি নেকি সেই বিষয়েও বিবেচনা কৰা হৈছে।

**বাইট**

oooooo

ৰাজ্যত আগষ্টৰ প্ৰথম সপ্তাহৰ ভিতৰত স্থানীয় বিধায়কসকলক অধ্যক্ষ হিচাপে লৈ প্ৰতিটো ধান ক্ৰয় কেন্দ্ৰৰ বাবে চৰকাৰে নিৰ্ধাৰণ কৰা সদস্যৰে একোখন সমিতি গঠন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰায়ে কালি গুৱাহাটীত অনুষ্ঠিত ৰাজ্যিক পৰ্যায়ৰ পৰ্যালোচনা আৰু মত বিনিময় সভাত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰৰ লগতে ধানৰ ন্যূনতম সমৰ্থন মূল্যত ৰাজ্য চৰকাৰে আগবঢ়োৱা অৰিহণা কেৱল যাতে খেতিয়কসকলেহে লাভ কৰে, তাক সুনিশ্চিত কৰিব লাগিব। ইপিনে, সুলভ মূল্যৰ দোকানীসকলে প্ৰতিমাহৰ ২০ তাৰিখৰ ভিতৰত

তেওঁলোকৰ প্ৰাপ্য কমিছন লাভ কৰাটো নিশ্চিত কৰিবলৈও মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। শ্ৰী ৰায়ে এই বৈঠকত যোগ্য হিতাধিকাৰীসকলক অন্তৰ্ভুক্ত কৰি অন্ন সেৱা অভিযান অব্যাহত ৰখাৰ উদ্দেশ্যে ৩১ জুলাইৰ ভিতৰত ৰেচন কাৰ্ড পুনৰীক্ষণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব লাগিব বুলিও নিৰ্দেশ দিয়ে। ইয়াৰ জৰিয়তে আধাৰ নম্বৰ আধাৰিত পুনৰীক্ষণ, ই -কে ৱাই চি পুনৰীক্ষণ কৰি কাৰ্ড পোৱাৰ পাছতো ছমাহ বা তাতকৈ অধিক সময় বিনামূলীয়া চাউল গ্ৰহণ নকৰা হিতাধিকাৰীৰ বিষয়টো পুনৰীক্ষণ কৰি প্ৰকৃত পৰিয়ালৰ বাবে ৰেচন কাৰ্ড লাভ কৰাৰ পথ প্ৰশস্ত কৰা হ'ব। তেওঁ কয় যে জটিল ৰোগত আক্ৰান্ত লোকক ৰেচন কাৰ্ড প্ৰদানৰ নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ বাবে সকলোৱে দায়বদ্ধতাৰে কাম কৰিব লাগিব। তেওঁ কয় যে বিভাগৰ উচ্চ স্তৰৰ পৰা তৃণমূল পৰ্যায়ৰ কৰ্মচাৰীৰ লগতে সুলভ মূল্যৰ দোকানীলৈকে সকলোৰে নিষ্ঠা আৰু একাগ্ৰতাৰ বাবে ৰাজ্যখনে স্মাৰ্ট পি ডি এছ্ ব্যৱস্থা প্ৰৱৰ্তনত দেশৰ ভিতৰতে প্ৰথম ৰাজ্য হিচাপে সমৰ্থ হৈছে। এই সাফল্যৰ বাবে তেওঁ সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০

ৰাজ্য চৰকাৰে অসম জুৰি বান ব্যৱস্থাপনা শক্তিশালী কৰিবলৈ আৰু খহনীয়া ৰোধ কৰিবলৈ ব্যাপক পদক্ষেপ গ্ৰহণ কৰা বুলি ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই প্ৰকাশ কৰিছে। কালি ডিব্ৰুগড়ৰ মাইজানৰ নগাঘূলি ঘাটৰ জলসম্পদ প্ৰকল্প পৰিদৰ্শন কৰি ৰাজ্যপালগৰাকীয়ে বান নিয়ন্ত্ৰণ তথা খহনীয়া প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা সাম্প্ৰতিক ব্যৱস্থাসমূহৰ বুজ লৈ এই কথা প্ৰকাশ কৰে। তেওঁ পৰিৱেশৰ স্থায়িত্ব বৃদ্ধিৰ বাবে মথাউৰিৰ কাষে কাষে গছ্ পুলি ৰোপন কৰা তথা এই স্থানসমূহত পৰ্যটনৰ সা-সুবিধা বৃদ্ধি কৰাকে ধৰি স্থানীয় যুৱক-যুৱতীসকলৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাতো গুৰুত্ব আৰোপ কৰে। এই পৰিদৰ্শন কালত ৰাজ্যপালগৰাকীয়ে জলসম্পদ বিভাগৰ বিষয়াসকলৰ সৈতে প্ৰকল্পটোৰ সুৰক্ষা আৰু স্থায়িত্বৰ বিষয়েও আলোচনা কৰে।

০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ ডিব্ৰুগড় জিলাৰ ঔদ্যোগিক ভৱনত থকা অস্থায়ী কাৰ্যালয় পৰিদৰ্শন কৰে আৰু চাবুৱাৰ পানীএৰা গাঁৱত হৈ থকা নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। পৰিদৰ্শনৰ অন্তত হোৱা আলোচনাত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ৰাজ্যপালগৰাকীক বিশ্ববিদ্যালয়খনে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়ে অৱগত কৰে। ৰাজ্যপালগৰাকীয়ে বিশ্ববিদ্যালয়খনৰ নিৰ্মাণকাৰ্য যথাসম্ভৱ শীঘ্ৰে সম্পূৰ্ণ কৰিবলৈ লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে। বিশ্ববিদ্যালয়খনে সন্মুখীন হোৱা সমস্যাসমূহ সমাধান কৰিবলৈ ক্ৰীড়া বিভাগৰ জৰিয়তে সম্পূৰ্ণ প্ৰচেষ্টা চলোৱা হ'ব বুলিও ৰাজ্যপালগৰাকীয়ে কৰ্তৃপক্ষক আশ্বাস দিয়ে।

**বাইট (ৰাজ্যপাল)**

ৰাজ্যপালগৰাকীৰ পৰিদৰ্শনৰ সময়ত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড০ হিৰেন্দ্ৰ নাথ শৰ্মা, পঞ্জীয়ক পংকজ বৰঠাকুৰ, জিলা উন্নয়ন আয়ুক্ত নন্দিতা বৰুৱা আৰু লোকনিৰ্মাণ বিভাগৰ শীৰ্ষ বিষয়াবৰ্গ উপস্থিত থাকে।

ৰাজ্যপালগৰাকীয়ে আজি মনোহাৰী চাহ বাগিচাত চাহ জনগোষ্ঠীৰ লোক আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰিব। তেওঁ লগতে পৰ্যটকৰ বাবে অতিথিশালাও উদ্বোধন কৰিব। দুপৰীয়াৰ ভাগত তেওঁ জিলাখনৰ শ্ৰীক্ষেত্ৰ খনিকৰত উপস্থিত হৈ দ্বাদশ শ্ৰীজগন্নাথ ৰথযাত্ৰা মহোৎসৱত অংশগ্ৰহণ কৰি পূজা-অৰ্চনা আগবঢ়াব।

০০০০০০

ভট্টদেৱ বিশ্ববিদ্যালয়ৰ গৱেষকসকলে এটা গুৰুত্বপূৰ্ণ প্ৰাণী বিজ্ঞানভিত্তিক গৱেষণাত অসমত প্ৰথমবাৰৰ বাবে দুৰ্লভ মালয়ান বাঁহ বাদুলীৰ উপস্থিতি বৈজ্ঞানিকভাৱে নথিভুক্ত কৰিছে। এই উদ্ভাৱনে জৈৱ বৈচিত্ৰ্যৰ ভঁৰাললৈ বুলি নতুন সংযোজন ঘটোৱাৰ লগতে বাদুলীৰ বৈচিত্ৰ্য সম্পৰ্কীয় গৱেষণাত মাইলৰ খুঁটি হিচাপে কাম কৰিব। বিশ্ববিদ্যালয়খনৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড০ অক্ষয় কুমাৰ হাৰৈ আৰু ছাত্ৰ যুগল কিশোৰ তালুকদাৰৰ গৱেষণাত গোৱালপাৰাৰ শিলুক অঞ্চলত এই বাদুলীৰ উপস্থিতি প্ৰমাণিত হয়। এই নতুন নথিভুক্তিৰ ফলত অসমত জ্ঞাত বাদুলীৰ প্ৰজাতিৰ সংখ্যা ৩৯ৰ পৰা ৪০লৈ বৃদ্ধি পাইছে। ভাৰতীয় প্ৰাণী বিজ্ঞানী সমীক্ষা, শ্বিলঙৰ উত্তৰ-পূৰ্বাঞ্চলৰ আঞ্চলিক কেন্দ্ৰ আৰু মুম্বাইৰ প্ৰজিনম লেবৰেট'ৰীৰ বিশেষজ্ঞসকলে বাদুলীৰ প্ৰজাতিটোৰ সত্যাসত্য নিৰূপণ কৰিছে।

০০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ সামুহিক বিজ্ঞান মহাবিদ্যালয়ৰ খাদ্য আৰু পৰিপুষ্টি বিজ্ঞান বিভাগৰ তত্বাৱধানত কৃষ্টিৰ কঠীয়া শীৰ্ষক সংস্থাই আয়োজন কৰা কাঠফুলাৰ মূল্য সংযোজিত সামগ্ৰী প্ৰস্তুতকৰণৰ কৰ্মশালাৰ কালি সামৰণি পৰে। এই কৰ্মশালাত ১০ গৰাকী যুৱতীক প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক দামোদৰ বৰ্মন আৰু সামুহিক বিজ্ঞান মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত বিজ্ঞান ড° জিনামণি শইকীয়া উপস্থিত থাকে।

০০০০০০

ডিব্ৰুগড়ৰ জ্যেষ্ঠ চাৰ্টাৰ্ড একাউন্টেণ্ট জ্যোতিপ্ৰসাদ কানৈক নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত সন্মানীয় লাইফ টাইম লিগেচি বঁটা প্ৰদান কৰা হয়। দেশৰ অগ্ৰণী ব্যৱসায়িক ছফ্টৱেৰ প্ৰতিষ্ঠান টেলী ছল্যুচনছ লিমিটেডে প্ৰৱৰ্তন কৰা এই বঁটাটি শ্ৰীকানৈক প্ৰতিষ্ঠানটোৰ উপাধ্যক্ষ, পদ্মশ্ৰী সন্মানেৰে সন্মানিত ভৰত গোৱেংকাই প্ৰদান কৰে। উল্লেখযোগ্য যে বিত্তীয় আৰু ব্যৱসায়িক সমাজলৈ যুগান্তকাৰী তথা চিৰস্থায়ী অৱদান আগবঢ়োৱা দেশৰ বিশিষ্ট চাৰ্টাৰ্ড একাউন্টেণ্টক এই বঁটা প্ৰদান কৰি অহা হৈছে।

০০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ বিগত সংস্কৰণৰ বিজয়ী আৰ্জেণ্টিনাই এইবেলিও দ্বিতীয়টো দল হিচাপে ফাইনেলত প্ৰৱেশ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ আটলাণ্টা ষ্টেডিয়ামত যোৱানিশা অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত আৰ্জেণ্টিনাই ইংলেণ্ডক ২-১ গ'লত পৰাস্ত কৰে। প্ৰথমাৰ্ধ গ'লবিহীনভাৱে সমাপ্ত হোৱা খেলখনৰ ৫৫ মিনিটত ইংলেণ্ডৰ হৈ এণ্টনি গৰ্ডনে প্ৰথম তথা একমাত্ৰ গ'লটো দিয়ে। খেলৰ ৮৫ মিনিটত আৰ্জেণ্টিনাৰ এনজো ফাৰ্নাণ্ডেজে দলৰ হৈ প্ৰথমটো গ'লেৰে ইংলেণ্ডৰ সৈতে সমতা স্থাপন কৰে আৰু ৯২ মিনিটত লাউটাৰো মাৰ্টিনেজে বিজয়সূচক গ'লটো দিয়ে।

প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা ১৯ জুলাইত স্পেইন আৰু আৰ্জেণ্টিনাৰ মাজত মিয়ামি ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ২ বাজি ৩০ মিনিটত আৰম্ভ হ'ব।

০০০০০০

ভাৰত আজি ইংলেণ্ডৰ বিৰুদ্ধে চলি থকা তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত অৱতীৰ্ণ হ'ব। খেলখন কাৰ্ডিফৰ ছফিয়া গাৰ্ডেনত ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৫ বজাত আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে মঙলবাৰে বাৰ্মিংহামৰ এজ্জবাষ্টনত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে ঘৰুৱা দলটোক ৬ উইকেটত পৰাস্ত কৰিছিল।

দেওবাৰে লণ্ডনৰ লৰ্ডছ ক্ৰিকেট খেলপথাৰত শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল খেলোৱা হ'ব।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে ভিন ভিন বাতৰি মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। দৈনিক জনমভূমি কাকতে বিশ্বকাপ ফুটবলৰ ছেমি ফাইনেলত পৰাজিত হোৱাৰ পাছত ফ্ৰান্সত হিংসাজনিত পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক আমাৰ অসম কাকতেও আনাকোণ্ডা গ্ৰিপত বিধবস্ত এমবাপে বাহিনী, ফ্ৰান্স জ্বলিছে শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

জন্তৰ-মন্তৰত অনশন অব্যাহত সোনম ৱাংচুকৰ স্বাস্থ্যৰ অধিক অৱনতিৰ বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ইপিনে ভাৰতৰ সৰ্ববৃহৎ কুডানকুলম পাৰমাণৱিক শক্তি প্ৰকল্পৰ সৈতে জড়িত ১৯ হাজাৰ স্পৰ্শকাতৰ নথি ফাদিলৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটো অসমীয়া খবৰ কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে। আকৌ বিধানসভাৰ বাজেট বিতৰ্কত অংশ লৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উন্নয়ন আৰু বিকাশৰ লক্ষ্যৰে কৰা বিভিন্ন ঘোষণাৰ বাতৰি এটা নিয়মীয়া বাৰ্তা কাকতে ৫ বছৰত ধুমুহাৰ গতিত কাম কৰিব চৰকাৰে শিৰোনামেৰে মুখ্য বাতৰিৰূপে পৰিৱেশন কৰিছে। একেটা বাতৰিক দৈনিক অসম কাকতেও প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। কাকতখনে গুৱাহাটীৰ পৰা ডুবাই আৰু আবু ধাবিলৈ পোনপটীয়াভাৱে এয়াৰ ইণ্ডিয়াই বিমান সেৱা আৰম্ভ কৰিব বুলি এটা গুৰুত্বপূৰ্ণ বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে পশ্চিম এছিয়াত পুনৰ সংঘৰ্ষৰ পৰিস্থিতিয়ে বিৰাজ কৰাৰ বিষয়ে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ইপিনে, নীটি আয়োগৰ সূত্ৰৰে দা ছেণ্টিনেল কাকতে উত্তৰ-পূৰ্বাঞ্চল ভাৰতৰ পৰৱৰ্তী উদ্ভাৱনৰ কেন্দ্ৰ ৰূপে পৰিগণিত হ'ব বুলি এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

ধেমাজি জিলাৰ জোনাইত কালি নৈত গা ধুবলৈ গৈ এগৰাকী কিশোৰীৰ সলিল সমাধি ঘটে। আমাৰ সংবাদদাতাই জনোৱা মতে মাকৰ সৈতে ভুঁই ৰুবলৈ যোৱা কিশোৰী গৰাকী তৰাজান নৈত গা ধুবলৈ গৈ উভতি নহাত স্থানীয় লোকে তেওঁৰ সন্ধান আৰম্ভ কৰে। বহু সময়ৰ পাছত নৈৰ বুকুত অভিযান চলাই ওপঙি থকা অৱস্থাত ছাত্ৰী গৰাকীৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মৃত কিশোৰীগৰাকী জোনাইৰ উদয়পুৰ গাঁৱৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী সবিতা মিলি বুলি চিনাক্ত কৰা হৈছে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ কোনো কোনো অংশত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**